# নতুন ঠাইবিলাকলৈ শুভবাৰ্ত্তা যোৱা

## ল'ৰা-ছোৱালীবিলাকক নতুন মিশ্যনেৰীসকলক চিনাকী কৰা



ল'ৰা-ছোৱালীবিলাকে শিকিবলগীয়া যিকোনো এটা বিষয় বাছি লওক।

এগৰাকী ডাঙৰ ল'ৰা বা ছোৱালী অথবা এগৰাকী শিক্ষকক আন্তিয়খিয়াৰ মণ্ডলীয়ে কিদৰে মিশ্যনেৰী পঠিয়াইছিল সেই বিষয়ে পঢ়িবলৈ অথবা কাহিনীটো ক'বলৈ দিয়ক (পাঁচনিৰ কৰ্ম্ম ১৩ঃ১-১৬ আৰু ৩২-৫২)। পৌল আৰু বাৰ্ণব্বাক যীচুৰ শুভবাৰ্ত্তা অন্য ঠাইবিলাকলৈ নিবলৈ কিদৰে পঠিয়াইছিল, কওক।

তলত দিয়া প্ৰশ্নবোৰ সোধক। প্ৰত্যেক প্ৰশ্নৰ পিছত উত্তৰবোৰ দিয়া আছে।

- পৌল আৰু বাৰ্ণব্বাক ঈশ্বৰে পৃথকে থবলৈ কওঁতে বিশ্বাসীসকলে কি কৰিলে? *(২ পদ চাওক।)*
- পৌল আৰু বাৰ্ণব্বাক তেওঁলোকৰ মিশ্যনেৰী দলৰূপে পঠিয়াই দিয়াৰ আগতে বিশ্বাসীসকলে কি কৰিলে? *(৩ পদ চাওক।)*
- যীচুক জানিবলৈ ইচ্ছা কৰা লোকবিলাকক ৰাখিবলৈ চেষ্টা কৰা মায়াবী মানুহক ঈশ্বৰে কিদৰে বাধা দিলে? *(১১)*
- তেওঁলোকৰ পাপবোৰৰ পৰা মানুহবিলাকে কিদৰে ক্ষমা পাব পাৰে? *(৩৮)*
- কোনটো দলৰ লোকে শুভবাৰ্ত্তা অগ্ৰাহ্য কৰিলে? *(৪৫-৪৬)*
- নগৰৰ পৰা বহিস্কৃত হওঁতে পৌল আৰু বাৰ্ণব্বাই কি কৰিলে? *(৫১)*

**কাহিনীৰ কিছু অংশ নাট কৰক।**

- এই নাট পৰিবেশন কৰিবলৈ প্ৰধান উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- নাট প্ৰস্তুত কৰোঁতে ল'ৰা-ছোৱালীৰ লগত আপোনাৰ সময় ব্যৱহাৰ কৰক।
- কাহিনীৰ গোটেই অংশ ব্যৱহাৰ নকৰিলেও হ'ব।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে নাট প্ৰস্তুত কৰোঁতে সৰুবোৰক সহায় কৰক।
- ডাঙৰ ল'ৰা-ছোৱালী অথবা বয়সস্থজনক পৌল আৰু বৰ্ণনাকাৰীৰ ভাও দিয়ক।
- সৰুবোৰক এই ভাওবোৰ দিয়কঃ

  **বাৰ্ণব্বা**
  **শাসনকৰ্ত্তা**
  **মায়াবী**
  **খ্ৰীষ্টিয়ানসকল**
  **যিহুদীসকল**
  **পৰজাতিবিলাক**

### নাট, ভাগ ১, পাঁচনিৰ কৰ্ম্ম ১৩ঃ১-৩

**বৰ্ণনাকাৰীঃ** ১-৩ পদৰ পৰা কাহিনীৰ প্ৰথম ভাগ কয়। "খ্ৰীষ্টিয়ানবিলাকে কি কয় শুনক।"

**খ্ৰীষ্টিয়ানঃ** "একেলগে ঈশ্বৰৰ উপবাস আৰু প্ৰাৰ্থনা কৰা ভাল।"

"মিশ্যনেৰী পঠিয়াবলৈ পৱিত্ৰ আত্মাই আমাক কয়।"

"পৌল আৰু বাৰ্ণব্বাক পঠিয়াবলৈ ঈশ্বৰে আমাক কৈছে।"

**বাৰ্ণব্বা ঃ** "হয়! নতুন ঠাইবিলাকলৈ আমি শুভবাৰ্ত্তা নিম।"

**খ্ৰীষ্টীয়ানসকল ঃ** "আঠুঁ লোৱা।"

"আমি তোমালোকৰ নিমিত্তে প্ৰাৰ্থনা কৰিম আৰু আমাৰ হাত তোমালোকৰ মূৰত দিম।"

"এইয়ে তোমালোকক পঠিয়াবৰ অৰ্থে য'ত তোমালোক যোৱা ঈশ্বৰে ইচ্ছা কৰে।"

**পৌল আৰু বাৰ্নববা ঃ** আঁঠু লয়।

**খ্ৰীষ্টিয়ানসকল ঃ** পৌল আৰু বাৰ্নববাৰ ওপৰত হাত থৈ প্ৰাৰ্থনা কৰে।

**পৌল আৰু বাৰ্নববা ঃ** এফালে খোজ লয়।

## ভাগ ২, পাঁচনিৰ কৰ্ম্ম ১৩:৪-১২

**বৰ্ণনাকাৰী ঃ** কাহিনীৰ দ্বিতীয় ভাগ কয় (৪-১২ পদ)। কয়, 'শুনা ৰোমীয় অধিপতিয়ে কি কৈছে।'

**অধিপতি ঃ** "যোৱা পৌলক আনাগৈ, মই যীচুৰ বিষয়ে শুনিব খোজোঁ।"

**মায়াবী ঃ** "নহয়, মহাশয়, পৌলক নানিব। আপুনি তেওঁৰ মিছা বাৰ্ত্তা শুনিব নালাগে।"

**পৌল ঃ** 'মায়াবী, এই মানুহজনক ঠগিব খুজিছ। ঈশ্বৰে তোক অন্ধ কৰিব।'

**মায়াবী ঃ** চকু ঢাকি ইফালে-সিফালে গৈ কয়, 'মই দেখা পোৱা নাই। অনুগ্ৰহ কৰি মোৰ হাতত ধৰক।'

**অধিপতি ঃ** "পৌল, এই মায়াবীৰ দেৱতাতকৈ আপোনাৰ ঈশ্বৰ অতি শক্তিশালী আপোনাৰ ঈশ্বৰৰ বিষয়ে মই অধিক জানিব খোজোঁ।"

## ভাগ ৩, পাঁচনিৰ কৰ্ম্ম ১৩:১৩-১৬ আৰু ৩২-৫২

**বৰ্ণনাকাৰী ঃ** কাহিনীটো সমাপ্ত কৰক, ১৩-১৬ আৰু ৩২-৫২ পদ।

কয়, "পৌলে কি কৈছে, শুনা।"

**পৌল ঃ** "যীচুৰ শুভবাৰ্তা শুনা। মৃত্যুৰ পৰা তেওঁক ঈশ্বৰে তুলিলে। তেওঁ আপোনাৰ পাপ ক্ষমা কৰিব।"

**যিহূদীবিলাক ঃ** "মূৰৰ বিকৃতি থকা এই মানুহজনৰ কথা নুশুনিবা।"

**বাৰ্নববা ঃ** "আমি প্ৰথমে তোমাৰ লগত কথা পাতিম। কিন্তু তুমি যীচুক অগ্ৰাহ্য কৰা। এতিয়া আমি অ-যিহূদী লোকবিলাকৰ লগত কথা পাতিম।"

**পৰজাতি ঃ** "আপোনাক আমালৈ ঈশ্বৰে পঠোৱা বাবে আমি অতি আনন্দিত।"

"যীচুৰ বিষয়ে আমাক আৰু কওক। আমি তেওঁক বিশ্বাস কৰোঁ।"

**যিহূদীবিলাক ঃ** "এই মানুহজনক আমাৰ চহৰৰ পৰা আমি উলিয়াই পঠিওৱা উচিত।"

বাৰ্নববা আৰু পৌলক এফলীয়াকৈ ঠেলি পঠিয়াব। তেওঁলোকে জোতাৰ ধূলি জোকাৰি আঁতৰি যায়।

**বাৰ্নববা আৰু পৌল ঃ** ভৰিৰ ধূলি জোকাৰি আঁতৰি যায়।

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা-ছোৱালী ঃ** নাটত সহায় কৰা প্ৰতিজনকে ধন্যবাদ জনায়। বয়স্থসকলক শুনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।



ভৰিৰ **ছবি আঁকক**। ল'ৰা-ছোৱালীক সেই ছবি আঁকিবলৈ দিয়ক। ছবিখন তেওঁলোকে পিছৰ উপাসনাৰ সময়ত বয়স্থসকলক দেখুৱাব পাৰে আৰু বৰ্ণনা কৰক যে কেনেকৈ ঈশ্বৰে আমাক যীচুৰ বিষয়ে শুনিবলৈ ইচ্ছা কৰা নতুন ঠাইৰ লোকবিলাকলৈ আমাক পঠিয়ায়। ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।

পৌল আৰু বাৰ্নববাৰ কাহিনীটোৰ বিষয়ে **প্ৰশ্ন সোধক** ঃ

- ল'ৰা-ছোৱালীক সোধক, "নতুন ঠাইবিলাকলৈ শুভবাৰ্তা নিয়া মানুহবিলাকৰ আন উদাহৰণবোৰ কি কি?"
- ল'ৰা-ছোৱালীক উদাহৰণ দিবলৈ কওক।
- ল'ৰা-ছোৱালীয়ে বয়সস্থসকলৰ কাৰণে নাট পৰিৱেশন কৰিলে, একে প্ৰশ্নবোৰকে কৰিবলৈ কওক।
- প্ৰথম পৃষ্ঠাত থকা প্ৰশ্নবোৰো ল'ৰা-ছোৱালীক সুধিবলৈ কওক।

**মুখস্থ কৰক,** যিহোচুৱা ১:৯ পদ।

**কবিতা মুখস্থ কৰা ঃ** গীতমালা ২৯:১--৪ পদকেইটাৰ একোটাকৈ চাৰি গৰাকী ল'ৰা-ছোৱালীক মুখস্থ মাতিবলৈ কওক।

**ডাঙৰ ল'ৰা-ছোৱালীক** দূৰ ঠাইলৈ শুভবাৰ্তা প্ৰচাৰ কৰিব যোৱা লোকবিলাকৰ বিষয়ে এটি কবিতা, গীত বা চুটি গল্প **লিখিবলৈ দিয়ক**। সপ্তাহটোত তেওঁলোকে এই কাম কৰিব পাৰে।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, আপোনাক নজনা লোকবিলাকলৈ পৌল আৰু বাৰ্নববাৰ দৰে অনেকক আপুনি পঠিয়াব খোজে। আমাক কওঁতে আপোনাৰ মাত শুনিবলৈ আমাক সহায় কৰক। পবিত্ৰ আত্মাৰে আমাক পূৰ কৰক যেন পৌল আৰু বাৰ্ণববাৰ দৰে সাহেৰে আমি আপোনাৰ শুভবাৰ্তা ক'ব পাৰিম।"

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.